# প্ৰধান মন্ত্ৰীৰ উজ্বলা যোজনাই দৰিদ্ৰ পৰিয়ালক প্ৰদান কৰিব এক মৰ্যাদা সম্পন্ন জীৱন ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ মে' ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পে'ট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি ডিব্ৰুগড়ত অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ বাবে প্ৰধানমন্ত্ৰীৰ উজ্বলা যোজনাখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। বিশুদ্ধ ৰন্ধন ইন্ধন এল পি জি ব্যৱহাৰৰ জৰিয়তে মহিলা আৰু শিশুসকলক স্বাস্থ্য সুৰক্ষিত কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা এই আঁচনিখন শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে এল পি জি সংযোগে অকল দুখীয়া মহিলাসকলকে যে সহায় কৰিব তেনে নহয়। সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকলক এই আঁচনিয়ে এক মৰ্যাদা সম্পন্ন জীৱন যাপনতো সহায় কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ দৰিদ্ৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰ বদ্ধপৰিকৰ। দেশৰ যথেষ্ট সংখ্যক পৰিয়ালে ৰন্ধন ইন্ধন হিচাপে এতিয়াও এলপিজি ব্যৱহাৰৰ পৰা বঞ্চিত হৈ আছে। ৰন্ধনৰ বাবে তেওঁলোকে খৰি, কয়লা বা গোবৰৰ দ্বাৰা তৈয়াৰী জলন সামগ্ৰী ব্যৱহাৰ কৰি আহিছে। ইয়াৰ ফলস্বৰূপে এই ৰান্ধনী শালৰ পৰাই প্ৰদূষণৰ সৃষ্টি হৈছে আৰু উশাহ-নিশাহ লোৱাকে ধৰি বিভিন্ন ৰোগৰ বলি হ'বলগীয়া হৈছে মহিলা আৰু শিশু সকল।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰী মোডীয়ে মহিলা আৰু শিশুসকলৰ সুৰক্ষিত স্বাস্থ্য আৰু বিজ্ঞান সন্মত জীৱন যাপনৰ বাবেই এই আঁচনি গ্ৰহণ কৰিছে আৰু ইয়ে প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। কেন্দ্ৰীয় চৰকাৰক প্ৰশংসা কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সৰ্বাংগীণ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে আৰু যোৱা ১১ মাহত কেন্দ্ৰীয় চৰকাৰে তেলৰ ৰয়েল্টীৰ বাবদ ৭ হাজৰ কোটি টকা মুকলি কৰি দিছে।

বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰে ৰাজ্যখনত উন্নয়নৰ নতুন মাত্ৰা সংযোজন কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰাজীৰ ফলত যোৱা ১১ মাহত অসমত ৬৩০০ কোটি টকাৰ বিনিয়োগ সম্ভৱ হৈছে আৰু ইয়াৰ ফলস্বৰূপে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৮০ হাজাৰ যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ পথ মুকলি হ'ব। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ 'সবকা সাথ সবকা বিকাশ' নীতিৰ ফলত ৰাজ্যখনৰ দ্ৰুত উন্নয়ন সম্ভৱ হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰে ৰে'লৰে লাইন বৈদ্যুতিকৰণ আৰু দ্বৈত ৰে'ল পথৰ ব্যৱস্থাৰে ৰাজ্যখনক সামৰি লোৱাৰ বাবে আঁচনি গ্ৰহণ কৰাৰ লগতে স্থলপথৰ বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বাবে যোগাযোগ ব্যৱস্থাৰ ব্যাপক উন্নয়ন সাধন হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ দি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয় যে ২০১৯ চনৰ মাৰ্চ মাহৰ ভিতৰত প্ৰতিটো এল পি জি সংযোগত ১৬ শ টকাকৈ আৰ্থিক সাহায্য আগবঢ়াই ভাৰত চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৫ কোটি পৰিয়াললৈ এল পি জি সংযোগ আগবঢ়াব। অসম চৰকাৰে হিতাধিকাৰীসকলক ১ হাজৰ টকাকৈ আগবঢ়াব আৰু ইয়াৰ ফলত এল পি জি সংযোগত হিতাধিকাৰী সকল অধিক উপকৃত হ'ব পাৰিব। কেতবোৰ কাৰিকৰী অসুবিধাৰ বাবে ৰাজ্যখনত এই যোজনা আৰম্ভ কৰাত বিলম্ব হৈছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে এল পি জি সংযোগৰ ক্ষেত্ৰত আধাৰ কাৰ্ড বাধ্যতামূলক যদিও অসমত যিহেতু আধাৰ কাৰ্ডৰ প্ৰক্ৰিয়াটো এতিয়ালৈকে আৰম্ভ হোৱা নাই আৰু এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ অনুৰোধ মৰ্মে এল পি জি সংযোগৰ বাবে অসমত আধাৰ কাৰ্ড বাধ্যতামূলক কৰা হোৱা নাই বুলিও মন্ত্ৰী গৰাকীয়ে কয়। মন্ত্ৰী গৰাকীয়ে কয় যে আৰ্থ-সামাজিক জাতি পিয়ল অনুসৰি এই যোজনাৰ অধীনৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল সমূহ চিনাক্ত কৰা হৈছে। অসমত ৭০ লাখ পৰিয়াল আছে আৰু ইয়াৰে ৩৩ লাখ পৰিয়ালৰ এল পি জি সংযোগ আছে। যিসকল পৰিয়ালত এতিয়াও এল পি জি সংযোগ নাই সেই সকল পৰিয়ালৰ ৯০ শতাংশক ২০১৯ ৰ মাৰ্চ মাহৰ ভিতৰত প্ৰধান মন্ত্ৰীৰ উজ্বলা আঁচনি আৰু অন্যান্য চৰকাৰী আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব বুলিও মন্ত্ৰী গৰাকীয়ে কয়। '২০৩০ঃ ভিজন ডকুমেন্ট (পেট্ৰ'লিয়াম খণ্ড)' ৰ অধীনত দেশৰ অন্যান্য প্ৰান্তৰ লগতে উত্তৰ পূৰ্বাঞ্চলক সমানে আগবঢ়াই লৈ যোৱাৰ বাবে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰণালয়ে এক বিস্তৃত আঁচনি প্ৰস্তুত কৰিছে বুলিও কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয়।

উল্লেখ্য যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ২০১৬ চনৰ ১ মে'ত উত্তৰ প্ৰদেশৰ বালিয়াত প্ৰধান মন্ত্ৰীৰ উজ্বলা আঁচনিৰ শুভাৰম্ভ কৰিছিল। যোজনাৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈ এই যোজনা অধীনত ২.২০ কোটি দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক এল পি জি সংযোগ প্ৰদান কৰা হৈছে। মহিলা সবলীকৰণ বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা সকলৰ স্বাস্থ্য সন্মত জীৱন যাপন নিশ্চিত কৰাৰ বাবে এই যোজনাৰ অধীনত এল পি জি সংযোগ প্ৰতিটো পৰিয়ালৰ মহিলাৰ নামত প্ৰদান কৰা হ'ব।কেন্দ্ৰীয় চৰকাৰে এই যোজনাখনৰ সফল ৰূপায়ণৰ বাবে ৮ হাজাৰ কোটি টকা আবন্টন কৰিছে।

যোজনাখনৰ জৰিয়তে ১ লাখ লোকৰ অতিৰিক্ত নিয়োগৰ সুবিধাৰ সৃষ্টি হোৱাৰ উপৰিও ভাৰতীয় উদ্যোগত কমেও ১০ হাজাৰ কোটি টকাৰ ব্যৱসায়ৰ সুযোগ প্ৰদান কৰাৰ সম্ভাৱনা আছে। এই যোজনাখনে মেক ইন ইণ্ডিয়া কাৰ্যসূচীক অধিক উজ্জীৱিত কৰি তুলিব।

আজিৰ সভাত ৰে'ল দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰাজেন গোঁহাই, খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰিহণ দৈমাৰী আৰু সাংসদ ৰামেশ্বৰ তেলীয়েও ভাষণ দিয়ে।

অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, তেৰছ গোৱালা, বিমল বৰা, ঋতুপৰ্ণ বৰুৱা, নৰেন সোণোৱাল, চক্ৰধৰ গগৈ, সঞ্জয় কিষাণ, সুৰেন ফুকন আৰু বলিন চেতিয়া উপস্থিত থাকে।

সংমঃকঃ/ পুঃডেঃ/
১৩/৫/২০১৭